# সুমধুৰ সুমংগল

## অসমীয়া

### TEXTUAL QUESTIONS AND ANSWERS

---

**প্ৰশ্ন ১। খেৰসূতী কোন আছিল ?**

**উত্তৰঃ** খেৰসূতী শংকৰদেৱৰ বুঢ়ীমাক আছিল ।

**প্ৰশ্ন ২। শংকৰদেৱে কিমান বছৰলৈ ধিতিঙালি কৰি ফুৰিছিল ?**

**উত্তৰঃ** বাৰ বছৰ বয়সলৈ ।

**প্ৰশ্ন ৩। টেটোন বুলি কাক , কিয় কৈছে ?**

**উত্তৰঃ** শংকৰদেৱক কৈছে । বুঢ়ীমাক খেৰসূতীয়ে বাৰ বছৰীয়া শংকৰৰ গাত কথা লাগিবৰ বয়স হাোৱা বুলি কোৱাত শংকৰদেৱ “ গাত এঠাহে লাগে বুঢ়ী আই , কথা কেনেকৈ লাগিব বুলি প্ৰশ্ন ( ধেমালিত ) কৰাত খেৰসূতীয়ে শংকৰদেৱক টেটোন বুলি কৈছে ।

**প্ৰশ্ন ৪। গণকে শংকৰক জন্মতে কি বুলি কৈছিল ?**

**উত্তৰঃ** পণ্ডিত হ’ব বুলি কৈছিল ।

**প্ৰশ্ন ৫। ৰামৰায় কোন আছিল ?**

**উত্তৰঃ** ৰামৰায় মহেন্দ্ৰ কন্দলিৰ টোলত অধ্যয়ন কৰি থকা শংকৰদেৱৰ সহপাঠি ছাত্ৰ আছিল ।

**প্ৰশ্ন ৬। “ আমাৰ বংশত অপণ্ডিত নাই , তই মূখ হ’ব খুজিছনে ? ”– কথাষাৰ কোনে কাক কৈছিল ?**

**উত্তৰঃ** কথাষাৰ বুঢ়ীমাক খেৰসূতীয়ে শংকৰদেৱক কৈছিল ।

**প্ৰশ্ন ৭। “ বুঢ়ীআই , তেনে পূজা মাে ক নালাগে ”– শংকৰদেৱে কিয় তেনেকৈ কৈছিল ?**

**উত্তৰঃ** বুঢ়ীমাক খেৰসূতীয়ে শংকৰদেৱক বিদ্বান লাােকে সকলাােতে পূজা পায় বুলি কওঁতে শংকৰদেৱে শাক্তধৰ্মী লাােকসকলে কৰা মনসা পূজা , কালী পূজা আদিৰ কথা কোৱা বুলি ভাবিছিল । এইবাােৰ পশু – পক্ষীবাােৰক বলি দি পূজা কৰাটো শংকৰদেৱে সহ্য কৰিব নাােৱাৰিছিল। সেয়েহে তেওঁ তেনেকৈ কৈছিল ।

**প্ৰশ্ন ৮। শংকৰদেৱে মহেন্দ্ৰ কন্দলিৰ টোললৈ শিক্ষাৰম্ভ কৰিবলৈ যাােৱা যাত্ৰাৰ এটি বৰ্ণনা দিয়া ।**

**উত্তৰঃ** ধিতিঙালি কৰি ফুৰা বাৰ বছৰীয়া শংকৰদেৱে পঢ়িবলৈ ইচ্ছা কৰাত বুঢ়ীমাক খেৰসূতীয়ে মনত বৰ ৰং পালে । তেওঁ পিছদিনাখনে শংকৰদেৱক মহেন্দ্ৰ কন্দলিৰ টোললৈ নিয়াৰ মন কৰি চন্দৰী , আঘাােণাহঁতক ভাৰ – ভেটি সাজু কৰিবলৈ ক’লে । সেইমতেই পিছদিনাখন মহেন্দ্ৰ কলিৰ টোললৈ শিক্ষাৰম্ভ কৰিবলৈ শংকৰদেৱৰ যাত্ৰা আৰম্ভ হ’ল । শংকৰদেৱ আৰু খেৰসূতী আই — দুয়াােজনে নতুন সাজ – পাৰ পিন্ধিছে । তেওঁলাােকৰ আগে – পিছে ভাৰ লাােৱা মানুহ । পাছি লাােৱা দাসীও লগত গৈছে। এইদৰে এক সুন্দৰ পৰিবেশৰ মাজেৰে শংকৰদেৱে মহেন্দ্ৰ কন্দলিৰ টোললৈ শিক্ষাৰম্ভ কৰিবলৈ যাত্ৰা কৰিছে।

**প্ৰশ্ন ৯। নিশা গুৰুদেৱে শংকৰৰ বহালৈ কিয় আহিছিল ? তেতিয়া শংকৰে কি কৰি আছিল ?**

**উত্তৰঃ** নিশা শংকৰৰ বহাত পোহৰ দেখি – শংকৰেনাে কি কৰি আছে , তাকে চাবলৈ গুৰুদেৱে শংকৰৰ বহালৈ আহিছিল । সেই সময়ত শংকৰে পঢ়ি আছিল ।

**প্ৰশ্ন ১০। শংকৰদেৱৰ শিশুকালৰ অলৌকিক ঘটনাৰ বিষয়ে লিখা ।**

**উত্তৰঃ** শিশুকালত শংকৰদেৱে সাধাৰণ শিশুৱে ভাবিব নাােৱাৰা কিছুমান অলৌকিক কাৰ্য কৰিছিল। এদিন তেওঁ লুইতৰ বুকুত বুৰ মাৰি শিহু এটা ধৰি আনি লগৰীয়াবাােৰক দেখুৱাইছিল । আন এদিনাখন আকৌ লগৰীয়াবাােৰৰ লগত আঁৰ মাৰি দুই দাৰ পৰ পানীত বুৰ মাৰি কাটল মাছ এটা ধৰি আনিছিল । মাছটো ইমানেই ডাঙৰ আছিল যে দুটা মানুহে সাঙী কৰিহে তাক আনিব পাৰিছিল । এনেদৰে শিশুকালত শংকৰদেৱে কিছুমান অলৌকিক ঘটনা সংঘটিত কৰিছিল ।

**প্ৰশ্ন ১১। শংকৰে গুৰুগৃহৰ পৰা মনে মনে ক’লৈ পলাই গৈছিল ?**

**উত্তৰঃ** বুঢ়ীমাকৰ ওচৰলৈ বুলি ।

**প্ৰশ্ন ১২। শংকৰে গুৰুগৃহৰ পৰা মনে মনে গুচি গৈ আকৌ আদবাটৰ পৰা উভতি আহিছিল কিয় ?**

**উত্তৰঃ** গুৰুৰ অনুমতি নাোহাোৱাকৈ কোনাে কামেই কৰিব নাপায় , গুৰু দেৱতাৰ দৰে পূজনীয় । কিন্তু শংকৰে গুৰুৰ অনুমতি অবিহনে মনে মনে গুচি গৈছিল । তেনেকৈ যাোৱাটো যে তেওঁৰ ভুল হৈছে , সেই কথাটো শংকৰে পিছত বুজি পাইছিল আৰু সেয়ে তেওঁ আদবাটৰ পৰা উভতি আহিছিল ।

**প্ৰশ্ন ১৩। শংকৰদেৱক গুৰুদেৱে ওজা ছাত্ৰ পাতিছিল কিয় ?**

**উত্তৰঃ** টোল বা পঢ়াশালিত প্ৰখৰ মেধাসম্পন্ন , পঢ়াৰ প্ৰতি ধাউতি থকা, সৎ চৰিত্ৰৱন আৰু বিভিন্ন দিশত পাৰ্গত ছাত্ৰক গুৰুৱে ওজা ছাত্ৰ পাতিছিল । শংকৰদেৱৰ এই আটাইবাোৰ গুণ আছিল । প্ৰখৰ মেধাসম্পন্ন শংকৰ গুৰুৱে শিকোৱা পাঠ অতি সহজে আয়ত্ব কৰিব পাৰিছিল। অতি কম সময়ৰ ভিতৰতে তেওঁ বেদ – স্মৃতি , ছন্দ , শ্ৰুতি , তৰ্ক , মীমাংসা , অষ্টাদশ পুৰাণ পঢ়ি শেষ কৰিছিল। তেওঁ সৎ চৰিত্ৰৰ আৰু বিভিন্ন দিশত পাৰ্গত আছিল । আন ছাত্ৰই শংকৰদেৱৰ লগত কোনাোটো দিশতে ফেৰ মাৰিব পৰা নাছিল । সেয়েহে গুৰুদেৱে শংকৰদেৱক ওজা ছাত্ৰ পাতিছিল ।

**প্ৰশ্ন ১৪। পাঠটিত শংকৰদেৱৰ প্ৰকৃতিৰ প্ৰতি ভালপাোৱা কিদৰে প্ৰকাশ পাইছে চমুকৈ লিখা ।**

**উত্তৰঃ** পাঠটিত শংকৰদেৱৰ প্ৰকৃতিৰ প্ৰতি ভালপাোৱা সুন্দৰকৈ প্ৰকাশ পাইছে । এবাৰ তেওঁ গুৰুদেৱৰ অনুমতি অবিহনে মনে মনে গুচিগৈ আদবাটৰ পৰা উভতি আহিছিল । গুৰুদেৱে তেনেকৈ যাোৱাৰ কাৰণ সাোধাত শংকৰদেৱে কৈছিল যে- তেওঁক বৰনৈখনে মাতে ; গছ বন – মুকলি পথাৰ এই সকলাোবাোৰেই তেওঁক হাতবাউল দি মাতে । চৰাইৰ দৰে মুকলিমূৰীয়া হৈ তেওঁৰ হাবি বনে ঘূৰি ফুৰিবৰ মন যায় । অৰ্থাৎ তেওঁ প্ৰকৃতিক ভাল পায় , প্ৰকৃতিৰ সৈতে মিলি থাকিব খাোজে । আন এদিন লগৰ ব্ৰাহ্মণ ছাত্ৰ এজনে শংকৰদেৱে ওজা ছাত্ৰ হিচাপে আন ছাত্ৰবাোৰক কি পাঠ দিব বুলি প্ৰশ্ন কৰাত শংকৰদেৱে প্ৰকৃতিৰ পাঠ দিব বুলি কৈছিল । তেওঁ কৈছিল যে মানুহ গছৰ দৰে হ’ব লাগে । গছে ৰ’দ বৰষুণ , ধুমুহা সকলাে সহ্য কৰি মানুহক ছাঁ দিয়ে , ফল দিয়ে , ফুল দিয়ে । গছে নিজৰ ছাঁত নিজে নিজিৰাই , নিজৰ ফল নিজে নাখায় । নিজৰ কথা নভবাকৈ গছে

কেৱল পৰােপকাৰ কৰে । গছ মানুহৰ বন্ধু আৰু আদৰ্শ । গছৰ দৰে মানুহেও নিজে সকলাে কষ্ট সহ্য কৰি আনৰ মংগল সাধন কৰা উচিত ।

ওপৰােক্ত কথাবাােৰ জৰিয়তে শংকৰদেৱৰ প্ৰকৃতিৰ প্ৰতি ভালপাােৱা প্ৰকাশ পাইছে ।

**প্ৰশ্ন ১৫। তাৎপৰ্য বুজাই লিখা –**

( **ক ) আমাৰেসে কৰ্মৰ্তৰে পণ্ডিতৰৰ বাক্য লৰে ।**

**উত্তৰঃ** পণ্ডিত বা বিজ্ঞ লােকৰ কথা সাধাৰণতে লৰচৰ নহয় , তেওঁলােকে যি কয় সেয়াই ফলিয়াই। তেনেলােকে কাৰােবাৰ ভৱিষ্যত বাণী কৰিলে সেয়াও ফলা দেখা যায় । শংকৰদেৱে জন্মাতে গণকে গণনা কৰি তেওঁ পণ্ডিত হ’ব বুলি কৈছিল । কিন্তু পঢ়া শুনালৈ মন নিদি শংকৰদেৱে বাৰ বছৰ বয়সলৈ ধিতিঙালি কৰি ফুৰিছিল । পঢ়া শুনা নকৰা ল’ৰা এটাই কি দৰে পণ্ডিত হ’বগৈ ? শংকৰদেৱৰ তেনেকুৱা স্বভাৱ দেখি বুঢ়ীমাক খেৰসূতীয়ে ভাবিছিল যে তেওঁলোকৰ নিজৰ কৰ্মৰ ফলতহে এতিয়া পণ্ডিত ( গণক ) ৰাে কথা লৰিব । কাৰণ , কোনােবা পণ্ডিতে কাৰােবাক জ্ঞানী বা পণ্ডিত হ’ব বুলি ভৱিষ্যত বাণী কৰিলেও নিজৰ যত্ন নহ’লে তেনে ব্যক্তি কেতিয়াও পণ্ডিত হৈ উঠিব নােৱাৰে । তেনেক্ষেত্ৰত পণ্ডিতৰ কথাও ভুল বুলি প্ৰমাণিত হয় ।

**( খ ) লােণ তেল নাই শুদাব্যঞ্জনৰ এনে সােৱাদ ।**

**উত্তৰঃ** লােণ – তেল নিদিয়া ব্যঞ্জনৰ একো সােৱাদ নাথাকে । ব্যঞ্জন সােৱাদযুক্ত কৰিবলৈ তাত লােণ – তেল , বিভিন্ন মা-মচলা প্ৰয়ােগ কৰা হয় । ব্যঞ্জনত মা-মচলা প্ৰয়ােগ কৰাৰ দৰে সাহিত্য ৰচনা কৰোতেও ইয়াক ৰসযুক্ত আৰু অৰ্থবহ কৰিবলৈ যুক্তাক্ষৰ , উপমা , অলংকাৰ আদি প্ৰয়ােগ কৰা হয় । কিন্তু শংকৰদেৱে যুক্তাক্ষৰ প্ৰয়ােগন কৰাকৈয়ে “ কৰতল কমল কমলদল নয়ন ” শীৰ্ষক কবিতাটি ৰচনা কৰি গুৰুদেৱক পাঠ কৰি শুনাইছিল । আ – কাৰ , ই – কাৰ প্ৰয়ােগ নকৰাকৈ তেনেকুৱা এটা অৰ্থবহ আৰু ৰসযুক্ত শ্লোক ৰচনা কৰা কাৰ্যত গুৰুদেৱে তবধ মানিছিল। সেয়ে গুৰুদেৱে কবিতাটিক লােণ – তেল নােহােৱা সুস্বাদু ব্যঞ্জন বুলি কৈছে ।

**( গ ) বিনা জৰিৰে বন্ধা ফুলৰ মালাহে ।**

**উত্তৰঃ** মালা – গাঁঠিবলৈ জৰিৰ প্ৰয়ােজন । জৰি নােহােৱাকৈ কোনেও ফুলৰ মালা গাঁঠিব নােৱাৰে । জৰি নােহােৱাকৈ যিদৰে মালা গাঁঠিব নােৱাৰি সেইদৰে , যুক্তাক্ষৰ প্ৰয়ােগ নকৰাকৈ সাহিত্য সৃষ্টি কৰিব নােৱাৰি । যুক্তাক্ষৰ প্ৰয়ােগ নকৰাকৈ , সাহিত্য ৰচনা কৰা এক প্ৰকাৰ অসম্ভৱ কথা । কিন্তু শংকৰদেৱে যুক্তাক্ষৰ প্ৰয়ােগ নকৰাকৈ

“কৰতল কমল কমলদল নয়ন ” শীৰ্ষক কবিতা লিখি অসম্ভৱ কাল এটা সম্ভৱ কৰি দেখুৱাইছিল । আকাৰ , ইকাৰ প্ৰয়াোগ নকৰাকৈ ৰচনা কৰা তেনেকুৱা এটি অৰ্থবহ আৰু ৰসযুক্ত কবিতা শংকৰৰ মুখত শুনি আচাৰ্যই সেয়েহে কবিতাটিক বিনা জৰিৰে বন্ধা ফুলৰ মালা বুলি কৈছিল।

**প্ৰশ্ন ১৬। ভাব বহলাই লিখা –**

**( ক ) ৰজাক নিজৰ দেশতহে পূজে – বিদ্বানে সকলাে ঠাইতে পূজা পায় ।**

**উত্তৰঃ** ৰজা দেশ এখনৰ অধিকাৰী । ৰজা এজন স্বাভাৱিকতে ক্ষমতাশালী , ঐশ্বৰ্যশালী আৰু প্ৰতিপত্তিশীল হয় । নিজ দেশৰ মানুহে তেওঁক শ্ৰদ্ধা কৰে ,পূজা কৰে । নিজৰ গৰাকী বুলিয়ে প্ৰজাসকলে ৰজাৰ প্ৰতি মান – সম্মান প্ৰদৰ্শন কৰে। কিন্তু আন ঠাইৰ বা দেশৰ মানুহে ওজা এজনক সন্মান বা আদৰ লপলনকৰিবও পাৰে । বিদ্বান লাােকৰ ক্ষেত্ৰত কিন্তু তেনেকুৱা নহয় । পৃথিৱীৰ সকলাে ঠাইৰ মানুহে বিদ্যা বা জ্ঞানৰ মাােল বুজে । বিদ্যাহীন বা জ্ঞানহীন জীৱন অন্ধকাৰ , পশুতুল্য । সেয়েহে, বিদ্বান লাােকে সকলাে ঠাইতে আদৰ – সন্মান পায় । আনকি ৰজা – মহাৰজাইও বিদ্বান লাােককহে সন্মান যাচে।এতেকে , শাৰিৰীক শক্তি , ধন – ঐশ্বৰ্য , ক্ষমতাতকৈ বিদ্যাৰ মূল্য সদায় উদ্ধৰ্ত ।

**( খ ) হংসৰ মাজত বগলী হাােৱা ।**

**উত্তৰঃ** ৰাজহাঁহ আৰু বগলীৰ গাৰ ৰং একে । কিন্তু ৰাজহাঁহৰ যি গুণ আছে , বগলীৰ গাত সেই গুণ নাই । ৰাজহাঁহৰ মাজত থাকিলেও সেয়েহে, বগলীয়ে কেতিয়াও ৰাজহাঁহৰ স্থান নাপায় । একেদৰে , বিদ্যা-বুদ্ধি , জ্ঞান – গৰিমাৰে উজ্জ্বল কোনাে বংশ , পৰিয়াল বা সমাজত কোনাােবা যদি মূখ হয় , তেনেহলে একেলগে থাকিলেও তেওঁ কাৰাে পৰা মান – সম্মান অথবা আদৰ নাপায় । তেনেকুৱা লাােকক সকলাােৱে গলগ্ৰহ বুলিহে গণ্য কৰে । জ্ঞান – গুণী সমাজত মূৰ্খ লাােকৰ স্থান সদায় ৰাজহাঁহৰ মাজত বগলীৰ স্থানৰ নিচিনা হয়।

**প্ৰশ্ন ১৭। শংকৰৰ গুৰুভক্তিৰ বিষয়ে পাঠৰ সহায়ত চমুকৈ লিখা ।**

**উত্তৰঃ** পাঠটিত শংকৰৰ গুৰুভক্তিৰ কেবাটাও চানেকি পাােৱা যায় । শংকৰে গুৰুদেৱৰ উপদেশ সদায় নতশিৰে মানি চলিছিল । গুৰুৰ উপদেশমতে তেওঁ নিয়মিত অধ্যয়ন কৰিছিল । কেতিয়াবা আন ছাত্ৰবাােৰে টোপনি যাােৱাৰ পিচতে বহু ৰাতিলৈকে তেওঁ পঢ়া – শুনা কৰিছিল । এবাৰ মনে মনে ঘৰলৈ বুলি গুচি গৈ আদবাটৰ পৰা উভতি আহি গুৰুৰ ওচৰত অকপটে স্বীকাৰ কৰিছিল যে গুৰুৰ অনুমতি নাােহাােৱাকৈ তেনেকৈ যাােৱাটো

তেওঁৰ ভুল হৈছে। গুৰুক তেওঁ দেৱতাৰ দৰে পূজনীয় বুলি মানিছিল। এদিন গুৰুদেৱে সকলো ছাত্ৰকে একোটিকৈ শ্লোক ৰচনা কৰিবলৈ কোৱাত অকল শংকৰেহে গুৰুৰ আদেশ মানি " কৰতল কমল কমলদল নয়ন " শীৰ্ষক কবিতাটো ৰচনা কৰি গুৰুক পঢ়ি শুনাইছিল। এনেবোৰ কাৰ্যৰ মাজেৰে পাঠটিত শংকৰৰ গুৰুভক্তি সুন্দৰভাবে প্ৰকাশ পাইছে।

**প্ৰশ্ন ১৮। তলৰ শব্দবোৰৰ আধুনিক অৰ্থ লিখা –**

দেহলাও , মহীচুঙা , চালপীৰা , ঠগি , আচাৰ্য , বহা

**উত্তৰঃ** দেহলাও – অতি মৰমৰ ,দেহ-প্ৰাণ বৰ মৰমৰ বস্তু।

মহীচুঙা – চিয়াঁহী পাত্ৰ।

চালপীৰা – কুন্দত কটা খুৰা লগোৱা বৰ আহল বহল শোৱা পীৰা।

ঠগি – কাঠৰ শৰাই।

আচাৰ্য – শিক্ষাগুৰু , শিক্ষক , শিক্ষা দাতা।

বহা – পজাঘৰ , প্ৰৱাসত অস্থায়ীকৈ থাকিবলৈ লোৱা ঘৰ।

**প্ৰশ্ন ১৯। সমাৰ্থক শব্দ লিখা –**

গুৰুদে , ব্ৰাহ্মণ , টোল , হংস , তেজ , পুথি।

**উত্তৰঃ** গুৰুদেৱ – শিক্ষাগুৰু।

ব্ৰাহ্মণ – বামুন।

টোল – পঢ়াশালি , বিদ্যালয়।

হংস – ৰাজহাঁহ।

তেজ – ৰুধিৰ , ৰক্ত , শোণিত।

পুথি – কিতাপ , পুস্তক ।

**প্ৰশ্ন ২০। শব্দাৰ্থ লিখা –**

সুমধুৰ , অপণ্ডিত , টেটোন , উদণ্ড , তবধ

**উত্তৰঃ** সুমধুৰ – বৰসা◌োৱাদ , অতিশয় মধুৰ ।

অপণ্ডিত – মূৰ্খ ।

টেটোন – টেঙৰ , ধূৰ্ত , দুষ্ট , প্ৰবঞ্চক ।

উদণ্ড – শাসন নথকা , কাৰা◌ে কথা নমনা ।

তবধ – আচৰিত হৈ অমাত হা◌োৱা অৱস্থা ।